# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-11-2024 **Time :** 1205 Hrs

***Assamese Midday (1205 Hrs.) Bulletin***

ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত আছে। মন্ত্ৰী অশোক সিংহলে আজি চিদলী বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ইপিনে, মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই কালি চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ৰাজ্য চৰকাৰে ১৩ নৱেম্বৰৰ উপ-নিৰ্বাচনৰ দিনটোত সমষ্টিকেইটাত স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে।

০০০০০০০

আজি ষট পূজাৰ তৃতীয় দিন। এই উপলক্ষে ভক্তসকলে বিভিন্ন নৈৰ পাৰত অস্তগামী সূৰ্যলৈ অৰ্ঘ্য আগবঢ়ায়। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে এই চাৰিদিনীয়া উৎসৱৰ সামৰণি পৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ষট্ পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতিয়ে এটা বাৰ্তাযোগে কয় যে ষট পূজা দেশৰ প্ৰাচীন উৎসৱসমূহৰ অন্যতম আৰু সূৰ্য দেৱতাৰ উপাসনাৰ এটা উপলক্ষ। শ্ৰীমতী মুৰ্মুৱে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব আৰু ইয়াৰ ফলত প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও ষট পূজা উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত এই শুভক্ষণত ছঠি মাইয়া আৰু সূৰ্যদেৱে নিজৰ আশীষেৰে সকলোৰে জীৱন ধন্য কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধিৰ কামনা কৰে।

ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থকাটো বাঞ্চনীয়। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ গুৱাহাটী আৰক্ষীয়ে জনসাধাৰণক আহ্বান জনাইছে।

তিনিচুকীয়া জিলাতো ৫ৰ পৰা ৭ নৱেম্বৰলৈ ষট পূজা উদযাপন কৰা হৈছে। আনহাতে, কৰিমগঞ্জত ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰিবলৈ জিলা প্ৰশাসনে কিছু নিৰ্দেশনা জাৰি কৰিছে। জিলাখনৰ কেইবাটাও স্থানত ষট পূজাৰ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে পোনপটীয়াকৈ শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ড০ অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ মুখ্য জ্যেষ্ঠ মুখ্য মহা প্ৰবন্ধক নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০

প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে আজি দৰঙাত ইমিগ্ৰেচন তালাচী চকী মুকলি কৰা হ'ব। দুয়োখন ৰাষ্ট্ৰৰ মাজত আন্তঃসম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত এই ভূবন্দৰটোৱে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাসো চেৰিং ট'বগে মুখ্য অতিতি হিচাপে উপস্থিত থাকিব। ১৪ দশমিক ৫ একৰ ভূমি আৱৰি থকা আই চি পি দৰঙা সীমান্ত পাৰ হৈ কৰা ভ্ৰমণ আৰু বাণিজ্য সুশৃংখলিত কৰাৰ অৰ্থে আধুনিক ব্যৱস্থা থাকিব। অনুষ্ঠানত অসমৰ কেইবাগৰাকীও মন্ত্ৰী তথা সাংসদ উপস্থিত থকাৰ কথা। দৰঙাত আব্ৰজন তালাচী চকী মুকলিৰ বাবে দুয়োখন ৰাষ্ট্ৰই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০০

কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰতৰ কিৰণ জৰ্জে টাইৱানৰ চি ইউ জেনৰ বিৰুদ্ধে খেলি আছে। ভাৰতীয় খেলুৱৈগৰাকীয়ে ইয়াৰ পূৰ্বে কালি প্ৰথম ৰাউণ্ডৰ এখন আকৰ্ষণীয় খেলত ভিয়েটনামৰ প্ৰতিদ্বন্দ্বী নুয়েন হাই ডাঙক ১৫-২১, ২১-১২, ২১-১৫ গেমত পৰাস্ত কৰিছিল।

০০০০০

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ, আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে অহা ২৪ আৰু ২৫ নৱেম্বৰত চৌডি আৰৱত নীলাম প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে কালি এই কথা সদৰি কৰে। এইবাৰ একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এলৰ নীলাম বিদেশত অনুষ্ঠিত হ'ব। ২০২৪ বৰ্ষৰ আই পি এলৰ নীলাম ডুবাইত অনুষ্ঠিত হৈছিল।

এইবাৰ এহেজাৰ ১৬৫ গৰাকী ভাৰতীয় আৰু ৪০৯ গৰাকী বিদেশী খেলুৱৈ সহ মুঠ এহেজাৰ ৫৭৪ গৰাকী খেলুৱৈয়ে নীলামৰ বাবে সন্মতি প্ৰকাশ কৰিছে। প্ৰতিটো দলত ৰিটেন কৰা খেলুৱৈ সহ সৰ্বাধিক ২৫ গৰাকী খেলুৱৈক চুক্তিবদ্ধ কৰিব পৰা যাব। নীলামৰ বাবে মুঠ ২০৪টা শ্লট উপলব্ধ হ'ব।

০০০০০০০

সমাপ্ত